# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
# 0000000000

**Date :** 28-08-2025
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN

## HEADLINES

::::::::::::::::::

১। ভাৰত আৰু জাপানৰ পঞ্চদশ বাৰ্ষিক সন্মিলনত ভাগ লোৱাৰ উদ্দেশ্যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি জাপানলৈ ৰাওনা হ'ব।

২। ভাৰতৰ অনন্য পৰিচয় প্ৰাধীকৰণে বাধ্যতামূলকভাৱে আধাৰ বায়'মেট্ৰিক উন্নীত কৰিবলৈ দেশৰ বিদ্যালয়সমূহৰ প্ৰতি আহ্বান জনাইছে।

৩। ভাৰতীয় বায়ুসেনা বাহিনীয়ে জম্মু অঞ্চল আৰু উত্তৰ পঞ্জাৱত বিধবংসী বানত আক্ৰান্ত লোকসকলৰ বাবে উদ্ধাৰ অভিযান অব্যাহত ৰাখিছে।

৪। প্ৰধানমন্ত্ৰী জন ধন যোজনাই আজি ১১ বছৰ সম্পূৰ্ণ কৰিছে। ***আৰু***

৫। ভাৰতৰ স্বাত্বিকছাইৰাজ ৰণকিৰেড্ডী আৰু চিৰাগ চেট্টী তথা পি ভি সিন্ধুৱে বি ডব্লিউ এফ ৱৰ্ল্ড চেম্পিয়নশ্বিপছ্ বেডমিণ্টন প্ৰতিযোগিতাৰ প্ৰি-কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে।

ooooo

ভাৰত আৰু জাপানৰ পঞ্চদশ বাৰ্ষিক সন্মিলনত ভাগ লোৱাৰ উদ্দেশ্যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি বিয়লি জাপানলৈ ৰাওনা হ'ব। এয়া হ'ব শ্ৰীমোদীৰ অষ্টম জাপান ভ্ৰমণ। জাপানৰ প্ৰধানমন্ত্ৰী হিচাপে চিগেৰু ইশ্বিবাই কাৰ্যভাৰ গ্ৰহণ কৰাৰ পাছত এয়া হ'ব উভয় দেশৰ প্ৰথমখন বাৰ্ষিক সন্মিলন। প্ৰধানমন্ত্ৰীৰ জাপান ভ্ৰমণ সন্দৰ্ভত বৈদেশিক পৰিক্ৰমা মন্ত্ৰ্যালয়ে এটা বিবৃতিৰ জৰিয়তে কয়, যে দুয়োগৰাকী প্ৰধানমন্ত্ৰীয়ে ভাৰত আৰু জাপানৰ বিশেষ কৌশলগত তথা গোলকীয় সহযোগিতাৰ পৰ্যালোচনা কৰিব। নেতা দুয়োগৰাকীয়ে প্ৰতিৰক্ষা আৰু নিৰাপত্তা, বাণিজ্য আৰু অৰ্থনীতি, প্ৰযুক্তি আৰু উদ্ভাৱন আৰু দেশ দুখনৰ জনসাধাৰণৰ মাজৰ সম্পৰ্কৰো পৰ্যালোচনা কৰিব বুলি বিবৃতিটোত প্ৰকাশ কৰা হৈছে। ভ্ৰমণকালত শ্ৰীমোদীয়ে জাপানৰ প্ৰধানমন্ত্ৰীগৰাকীৰ সৈতে আঞ্চলিক আৰু আন্তঃৰাষ্ট্ৰীয় বিভিন্ন বিষয় সন্দৰ্ভতো আলোচনাত মিলিত হ'ব। এই ভ্ৰমণে দুয়োখন দেশৰ মাজত থকা দীৰ্ঘদিনীয়া বন্ধুত্বৰ বান্ধোনক পুনৰ সুদৃঢ় কৰিব বুলি আশা কৰা হৈছে।

ভ্ৰমণৰ দ্বিতীয় পৰ্যায়ত শ্ৰীমোদীয়ে চীনৰ প্ৰধানমন্ত্ৰী শ্বি জিনপিঙৰ আমন্ত্ৰণমৰ্মে টিয়ানজিনত ৩১ আগষ্ট আৰু পহিলা ছেপ্তেম্বৰত হ'বলগীয়া ছাংহাই সহযোগিতা সংস্থাৰ সন্মিলনত ভাগ ল'বলৈ চীনলৈ ৰাওনা হ'ব। এই সন্মিলনৰ আপাহতে শ্ৰীমোদীয়ে সন্মিলনত অংশগ্ৰহণ কৰা বিভিন্ন নেতাৰ সৈতে দ্বিপাক্ষিক বৈঠকত অংশ ল'ব। উল্লেখযোগ্য যে ২০১৭ চনৰ পৰা ভাৰত ছাংহাই সহযোগিতা সংস্থাৰ সদস্য ৰাষ্ট্ৰ হিচাপে আছে।

প্ৰধানমন্ত্ৰীৰ এই ভ্ৰমণে উভয় দেশৰ মাজত থকা সহযোগিতাৰ নতুন দুৱাৰ মুকলি কৰিব বুলি জাপানত থকা ভাৰতীয় ৰাষ্ট্ৰদূত চি বি জৰ্জে মন্তব্য কৰে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি বিয়লি ফিনলেণ্ডৰ ৰাষ্ট্ৰপতি আলেকজেণ্ডাৰ ষ্টাবৰ সৈতে টেলিফোনৰ জৰিয়তে বাৰ্তালাপ কৰে। এই সন্দৰ্ভত সামাজিক মাধ্যমত লিখা এটা পোষ্টত শ্ৰীমোদীয়ে ফিনলেণ্ডক ইউৰোপীয় সংঘৰ গুৰুত্বপূৰ্ণ অংশীদাৰ ৰাষ্ট্ৰ হিচাপে অভিহিত কৰে। আলোচনাকালত দুয়োগৰাকী নেতাই বাণিজ্য, প্ৰযুক্তি আৰু বহনক্ষমতাৰ লেখিয়া গুৰুত্বপূৰ্ণ বিষয়সমূহত উভয় দেশৰ সহযোগিতা ত্বৰান্বিত কৰাৰ বিভিন্ন উপায় সন্দৰ্ভত বিতংভাৱে আলোচনা কৰে। দুয়োগৰাকী নেতাই লগতে ইউক্ৰেইনৰ সংঘাতৰ শান্তিপূৰ্ণ সমাধানৰ বাবে চলি থকা প্ৰচেষ্টাসমূহৰ বিষয়েও নিজা নিজা দৃষ্টিভংগীৰ আদান প্ৰদান কৰে।

০০০০০

ভাৰতৰ অনন্য পৰিচয় প্ৰাধীকৰণ- UIDAI এ ৫ বছৰৰ পৰা ১৫ বছৰ বয়সৰ শিশুসকলৰ বাবে নিৰ্ধাৰিত সময়ত বাধ্যতামূলক আধাৰ বায়'মেট্ৰিক উন্নীত কৰিবলৈ দেশৰ বিদ্যালয়সমূহত প্ৰতি আহ্বান জনাইছো ইলেকট্ৰনিকছ আৰু তথ্য প্ৰযুক্তি মন্ত্ৰালয়ে এখন বিজ্ঞপ্তিত প্ৰকাশ কৰা অনুসৰি, UIDAI ৰ মুখ্য কাৰ্যবাহী বিষয়া ভূৱনেশ কুমাৰে এই সন্দৰ্ভত ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলসমূহৰ মুখ্য সচিবসকললৈ ইতিমধ্যে পত্ৰ প্ৰেৰণ কৰিছে। মন্ত্ৰালয়ে কৈছে যে UIDAI আৰু শিক্ষা মন্ত্ৰালয়ে একীকৃত জিলা তথ্য ব্যৱস্থাত দেশৰ প্ৰায় ১৭ কোটি শিশুৰ বাবে বাধ্যতামূলক আধাৰ বায়'মেট্ৰিক উন্নীত কৰাৰ বাবে সমন্বয়ৰে কাম কৰি আছে। এডুকেশ্বন প্লাছ মঞ্চৰ একীকৃত জিলা তথ্য ব্যৱস্থা হৈছে বিদ্যালয় শিক্ষাৰ সৈতে জড়িত বিভিন্ন পৰিসংখ্যাৰ তথ্য আহৰণৰ এটা ব্যৱস্থা।

০০০০০

ভাৰতীয় বায়ুসেনা বাহিনীয়ে জম্মু অঞ্চল আৰু উত্তৰ পঞ্জাৱত বৰ্ধিত জলস্তৰ আৰু বিধবংসী বানত আক্ৰান্ত লোকসকলৰ বাবে সাহায্য আৰু উদ্ধাৰ অভিযান অব্যাহত ৰাখিছে। প্ৰতিৰক্ষা মন্ত্ৰালয়ে এটা বিবৃতিযোগে জনোৱা অনুসৰি ভাৰতীয় বায়ুসেনা বাহিনীয়ে বিভিন্ন ধৰণৰ হেলিকপ্টাৰ, বিমান আৰু অন্যান্য সা-সুবিধাৰ জৰিয়তে জনসাধাৰণলৈ সহায়ৰ হাত আগবঢ়াইছে। জম্মুৰ আখনুৰ অঞ্চল, পাঠানকোট আৰু পঞ্জাৱৰ ডেৰা বাবা নানক অঞ্চলত আৱদ্ধ হৈ থকা সশস্ত্ৰবাহিনীৰ জোৱানসকলকো ভাৰতীয় বায়ুসেনা বাহিনীয়ে এই অভিযানত সামৰি লোৱা বুলি বিবৃতিটোত প্ৰকাশ কৰা হৈছে। পৰিস্থিতিৰ সৈতে খাপ খোৱাকৈ সাহায্য আৰু সহায়ৰ বাবে সকলো ধৰণৰ পদক্ষেপ গ্ৰহণ কৰিবলৈ ভাৰতীয় বায়ুসেনা বাহিনী সাজু হৈ আছে বুলি বিবৃতিটোত কোৱা হৈছে।

০০০০০

প্ৰধানমন্ত্ৰী জন ধন যোজনাই আজি ১১ বছৰ সম্পূৰ্ণ কৰিছে। ২০১৪ চনৰ ১৫ আগষ্টত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ঘোষণা কৰা এই যোজনা হৈছে বিশ্বৰ সৰ্ববৃহৎ বিত্তীয় উদ্যম। সেই বছৰৰেই ২৪ আগষ্টত এই যোজনাৰ শুভাৰম্ভ কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ইয়াক দেশৰ দুখীয়া লোকসকলৰ দৰিদ্ৰতাৰ পৰা মুক্ত কৰাৰ দিশ উদযাপনৰ এটা উৎসৱ হিচাপে অভিহিত কৰিছে।

প্ৰধানমন্ত্ৰী জন ধন যোজনা হৈছে এটা ৰাষ্ট্ৰীয় অভিযান যাৰ জৰিয়তে দুখীয়া লোকসকলক বিত্তীয় সহায় প্ৰদানৰ লগতে প্ৰতিটো পৰিয়াললৈ বেংকিং সেৱাৰ সুবিধা প্ৰদানৰ দিহা কৰা হৈছে। এই সূচনাৰ অধীনত বেংক একাউণ্ট, প্ৰয়োজন সাপেক্ষে ঋণৰ সুবিধা, বীমা আৰু পেঞ্চনৰ সুবিধা আদিৰ নিশ্চিতি প্ৰদান কৰা হয়।

০০০০০

চত্তিশগড়ৰ বিজাপুৰ জিলাত কালি ৩০ জন মাওবাদীয়ে আত্মসমৰ্পণ কৰে। আৰক্ষী অধীক্ষক জীতেন্দ্ৰ যাদৱে প্ৰকাশ কৰা অনুসৰি আত্মসমৰ্পণ কৰা মাওবাদী কেইজনৰ বিনিময়ত ইতিমধ্যে ৮১ লাখ টকাৰ ঘোষণা কৰা হৈছিল। আত্মসমৰ্পণ কৰা মাওবাদীকেইজন বিভিন্ন ঘটনাৰ সৈতে জড়িত বুলি পূৰ্বে জনোৱা হৈছিল। ৰাজ্য চৰকাৰৰ পুনৰ্বাসন আঁচনিৰ অধীনত কালি আত্মসমৰ্পণ কৰা প্ৰতিজন মাওবাদীকে ১৫ হাজাৰ টকাকৈ প্ৰদান কৰা হয়।

ooooo

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে আজি চত্তিশগড়, মধ্য মহাৰাষ্ট্ৰ, উত্তৰাখণ্ড আৰু কৰ্ণাটকৰ উপকূলীয় অঞ্চলত প্ৰবল বৃষ্টিপাতৰ আগলি বতৰা জাৰি কৰিছে। বিভাগে লগতে অন্ধ্ৰপ্ৰদেশৰ উপকূলীয় অঞ্চল, পূব ৰাজস্থান, হিমাচল প্ৰদেশ, কৰ্ণাটকৰ অভ্যন্তৰীণ অংশ, কেৰালা, মাহে, গোৱা আদিতো ধাৰাষাৰ বৰষুণ হ'ব পাৰে বুলি জানিবলৈ দিছে। মধ্যপ্ৰদেশ, মাৰাঠৱাৰা, ওড়িশা, পশ্চিমবংগৰ উপ হিমালয় অংশ, তামিলনাডু, পুডুচেৰী, কৰাইকাল, তেলেংগানা আৰু বিদৰ্ভতো আজি প্ৰবল বৰষুণে স্বাভাৱিক জীৱনযাত্ৰা ব্যাহত কৰিব পাৰে বুলি বিভাগে আগলি বতৰা প্ৰকাশ কৰিছে। ইপিনে আন্দামান আৰু নিকোবৰ দ্বীপপুঞ্জ, বিহাৰ, গুজৰাট, ঝাৰখণ্ড, লক্ষদ্বীপ, জম্মু-কাশ্মীৰ, লাডাখ, গিলগিট, বাল্টিস্তান, মুজাফ্ফৰাবাদ আদি অঞ্চলত ধুমুহা-বতাহৰ লগতে বজ্ৰপাতৰ আশংকা আছে বুলিও বিভাগে জানিবলৈ দিছে।

ooooo

ভাৰতৰ স্বাত্বিকছাইৰাজ ৰণকিৰেড্ডী আৰু চিৰাগ চেট্টীৰ যুটীটোৰ লগতে অলিম্পিকত পদক অৰ্জন কৰা পি ভি সিন্ধুৱে পেৰিচত চলি থকা বি ডব্লিউ এফ ৱৰ্ল্ড চেম্পিয়নশ্বিপছ বেডমিণ্টন প্ৰতিযোগিতাৰ প্ৰি-কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে।

প্ৰতিযোগিতাত নৱম বাছনিপ্ৰাপ্ত ভাৰতীয় যুটীটোৱে কালি চীনা টাইপেইৰ লিউ কুৱাং হেং আৰু ইয়াং পো হানৰ যুটীটোক ২২-২০, ২১-১৩ ফলাফলত পৰাস্ত কৰে। প্ৰি-কোৱাৰ্টাৰ ফাইনেলত ভাৰতীয় যুটীটোক চীনৰ ষষ্ঠ বাছনিপ্ৰাপ্ত লিয়াং ৱেই কেং আৰু ৱাং চাঙৰ যুটীটোৰ মুখামুখি হ'ব।

একেদৰে মহিলাৰ ছিংগলছত আগশাৰীৰ খেলুৱৈ পি ভি সিন্ধুৱে মালয়েছিয়াৰ প্ৰতিদ্বন্দ্বী কাৰুপাথিভান লেটচানাৰ বিৰুদ্ধে ২১-১৯, ২১-১৫ ফলাফলত বিজয় অৰ্জন কৰে। সিন্ধুৱে প্ৰথম গেমত ১২-১৮ ফলাফলত পিছপৰি থকা স্বত্বেও ক্ৰমাগতভাৱে ছটা পইণ্ট অৰ্জন কৰি ধ্ৰুপদী প্ৰত্যাৱৰ্তন কৰে।

ইপিনে মিক্সড ডাবলছত ভাৰতৰ ষষ্ঠদশ বাছনিপ্ৰাপ্ত ধ্ৰুৱ কপিলা আৰু তানিছা ক্ৰাষ্ট'ৱেও আয়াৰলেণ্ডৰ জছুৱা মাগি আৰু ময়া ৰিয়ানক পৰাস্ত কৰি প্ৰি-কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। এই পৰ্যায়ত যুটীটো টাং ছুন মান আৰু ছে ইং ছুৱেটৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

প্ৰতিযোগিতাত আজি পুৰুষৰ ছিংগলছত তাৰকা খেলুৱৈ এইচ এছ প্ৰণয় আৰু মিক্সড ডাবলছত ৰোহন কাপুৰ আৰু ৰুথৱিকা শ্বিবানী গাড্ডেৰ যুটীটো প্ৰি-কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশৰ লক্ষ্যৰে খেলত অৱতীৰ্ণ হ'ব।

ooooo

তাৰকা খেলুৱৈ ন'ভাক জ'ক'ভিচে আমেৰিকা যুক্তৰাষ্ট্ৰৰ জাচাৰী স্বাজডাক পোনপটীয়া ছেটত পৰাস্ত কৰি ইউ অপেন টেনিছ প্ৰতিযোগিতাৰ পুৰুষৰ ছিংগলছত আধিপত্য অব্যাহত ৰাখিছে। ছাৰ্বিয়াৰ খেলুৱৈগৰাকীয়ে স্বাজডাৰ বিৰুদ্ধে ৬-৩, ৬-৩, ৬-১ ফলাফলত বিজয় অৰ্জন কৰে। প্ৰতিযোগিতাত কিছু

সময়ৰ পূৰ্বে আৰ্থাৰ এছ ষ্টেডিয়ামত অনুষ্ঠিত এখন গুৰুত্বপূৰ্ণ খেলত  স্পেইনৰ কাৰ্লোছ এলকাৰাজে ইটালীৰ মাটিয়া বেলুচীক ৬-১, ৬-০, ৬-৩ ফলাফলত পৰাস্ত কৰে।

ইপিনে প্ৰতিযোগিতাৰ মহিলাৰ ছিংগলছত জাপানৰ নাওমী ওছাকাই বেলজিয়ামৰ গ্ৰীট মিনেনক ৬-৩, ৬-৪ পোনপটীয়া ফলাফলত পৰাস্ত কৰি পৰৱৰ্তী ৰাউণ্ডলৈ অগ্ৰসৰ হৈছে। মহিলাৰ ছিংগলছৰ আন এখন খেলত ৰাছিয়াৰ মিৰা এণ্ড্ৰিভাই সতীৰ্থ খেলুৱৈ এনাচটাছিয়া পোটাপ'ভাৰ বিৰুদ্ধে বিজয় অৰ্জন কৰে।

০০০০০

ভাৰতে চলিত বৰ্ষৰ ১৭ বছৰ অনূৰ্ধ মহিলাৰ ছাফ ফুটবল চেম্পিয়নশ্বিপত দমনীয় প্ৰদৰ্শন অব্যাহত ৰাখিছে। প্ৰতিযোগিতাৰ কালি ভূটানৰ থিম্ফুৰ চাংলিমিথাং ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত ভাৰতে ঘৰুৱা দলটোক ৫-০ ফলাফলত পৰাস্ত কৰে। এয়া হ'ল প্ৰতিযোগিতাখনত ভাৰতৰ ক্ৰমাগত চতুৰ্থ বিজয়। ভাৰত সম্প্ৰতি প্ৰতিযোগিতাৰ পইণ্ট তালিকাত ১২ পইণ্টেৰে শীৰ্ষস্থানত আছে। দ্বিতীয় স্থানত থকা বাংলাদেশে এতিয়ালৈ ৯ পইণ্ট অৰ্জন কৰিবলৈ সমৰ্থ হৈছে।

প্ৰতিযোগিতাত চাৰিদিন পূৰ্বে অনুষ্ঠিত আন এখন খেলত ভাৰতে ভূটানক ৮-০ ফলাফলত পৰাস্ত কৰিছিল। কালিৰ খেলখনত অনুষ্কা কুমাৰীয়ে দুটা গ'ল দিয়ে। এইপৰ্যন্ত প্ৰতিযোগিতাৰ চাৰিখন খেলত ভাৰতে মুঠ ২২ গ'ল দিয়াৰ বিপৰীতে প্ৰতিপক্ষই ভাৰতক গ'ল দিবলৈ সমৰ্থ হোৱা নাই।

০০০০০

সমাপ্ত